**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-NOV-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

——————————————

৯৩ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে আজি গুৱাহাটীৰ লাচিত ঘাটত কেন্দ্ৰীয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানৰ অংশ হিচাপে দুপৰীয়া চাৰে ১২ বজাৰ পৰা দিনৰ দুই বজালৈ এয়াৰ শ্ব' অৰ্থাৎ যুদ্ধ বিমানৰ উৰণ কৌশল প্ৰদৰ্শন কৰা হ'ব। কেন্দ্ৰীয়ভাৱে আয়োজিত এই এয়াৰ শ্ব'ত ৰাফেল, মিগ, ছুখয় আদি ৭৫ খন বিমানে ভাগ ল'ব। এই এয়াৰ শ্ব' উপভোগৰ বাবে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বৃদ্ধাশ্ৰমৰ আবাসীসকলক আমন্ত্ৰণ জনোৱা হৈছে। গুৱাহাটীৰ উজান বজাৰৰ সতী ৰাধিকা উদ্যানৰ পৰা ইচ্ছুক ব্যক্তিসকলে ফ্লাইং শ্ব' চাব পাৰিব। জনসাধাৰণে সুবিধা অনুযায়ী গুৱাহাটীৰ নিজৰ ঘৰৰ পৰাও এই শ্ব'টো উপভোগ কৰিব পাৰিব। মহানগৰীৰ অশ্বক্লান্ত মন্দিৰৰ প্ৰাংগণত অতিথিৰ বাবে এয়াৰ শ্ব' চোৱাৰ ব্যৱস্থা কৰা হৈছে।

ইপিনে ভাৰতীয় বায়ু সেনাৰ ৯৩ সংখ্যক বৰ্ষপূৰ্তি অনুষ্ঠানৰ অংশ হিচাপে কালি বৰঝাৰৰ সেনা ছাউনীত সেনা বাহিনীৰ দ্বাৰা আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে।

০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি গহপুৰত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। ৪১৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বিশ্ববিদ্যালয়খন প্ৰযুক্তি আধাৰিত বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত দেশৰ প্ৰথমখন বিশ্ববিদ্যালয় হ'ব। ৭৩১ বিঘা ভূমিত নিৰ্মাণ কৰিবলৈ লোৱা বিশ্ববিদ্যালয়খনত দুহেজাৰ গৰাকী শিক্ষাৰ্থীৰ বাবে শৈক্ষিক ভৱন, এহেজাৰ ৬২০ গৰাকী শিক্ষাৰ্থীৰ বাবে হোষ্টেল, ৭২টা আবাসিক ভৱন, অতিথিশালা তথা শিক্ষাৰ্থীৰ সা-সুবিধা কেন্দ্ৰ থাকিব। বিশ্ববিদ্যালয়খনত কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক ছায়েন্স, চাইবাৰ সুৰক্ষা, কোৱাণ্টাম কম্পিউটিং, এনিমেচন আৰু গ্ৰাফিক্‌ছ, ড্ৰোণ আৰু নেভিগেচন প্ৰযুক্তি, থ্ৰী ডি প্ৰিণ্টিঙকে ধৰি কেইবাটাও নতুন নতুন বিষয় অন্তৰ্ভুক্ত কৰা হ'ব। এই আধাৰশিলা স্থাপন অনুষ্ঠানত অংশগ্ৰহণ কৰি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কয়, যে দেশৰ স্বাধীনতা আন্দোলনত প্ৰাণ আহুতি দিয়া বীৰাংগণা কনকলতা বৰুৱাৰ নামত স্থাপন কৰিবলৈ লোৱা এই বিশ্ববিদ্যালয়খন ছহিদগৰাকীৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি।

**বাইট (বিত্তমন্ত্ৰী)**

অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এই বিশ্ববিদ্যালয়খনে ২০২৫ চনৰ নতুন অসমৰ বিকাশ আৰু বিৱৰ্তনৰ ৰূপকথাক প্ৰতিনিধিত্ব কৰিব। ৰূপকোঁৱৰে অসমীয়া চলচ্চিত্ৰ জগতৰ উন্মেষ ঘটোৱা পবিত্ৰ ভূমিত আধাৰশিলা স্থাপন কৰা এই বিশ্ববিদ্যালয়ে ঐতিহ্য, আধুনিকতা আৰু প্ৰতিশ্ৰুতিপূৰ্ণ ভৱিষ্যতৰ ইংগিত বহন কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে গুৱাহাটীৰ খানাপাৰাত নিৰ্মীয়মান জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ পৰিদৰ্শন কৰে। ৫ হাজাৰ আসনযুক্ত প্ৰেক্ষাগৃহটোৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে ই উত্তৰ-পূব ভাৰতৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যৰ পাঁচ হাজাৰ ৫৫০ গৰাকী টেট উত্তীৰ্ণ প্ৰাৰ্থীক নিযুক্তিপত্ৰ প্ৰদান কৰিব। গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজিত

অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। আজিৰ অনুষ্ঠানত নিম্ন প্ৰাথমিক বিদ্যালয়ৰ তিনি হাজাৰ ৮০০ গৰাকী আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ এহেজাৰ ৭৫০ গৰাকী প্ৰাৰ্থীক নিযুক্তিপত্ৰ বিতৰণ কৰা হ'ব। ইয়াকে লৈ ৰাজ্য চৰকাৰে নতুনকৈ নিযুক্তি দিয়া প্ৰাৰ্থীৰ সংখ্যা এক লাখ ২৬ হাজাৰ ৭৯৩লৈ বৃদ্ধি পাব।

০০০০০০

অসম চৰকাৰৰ গ্ৰন্থবৰ্ষৰ সৈতে সংগতি ৰাখি লখিমপুৰত অনুষ্ঠিত অসম গ্ৰন্থমেলাৰ কালি অষ্টম দিনাও বহু গ্ৰন্থপ্ৰেমীৰ সমাগম হয়। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু  বিক্ৰেতা সংস্থাই লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ ক্ৰীড়া চৌহদত ১০ দিনীয়াকৈ এই গ্ৰন্থমেলাৰ আয়োজন কৰিছে। কালি গ্ৰন্থমেলাথলীত আয়োজিত কবি সন্মিলন সাহিত্য একাডেমী বঁটাপ্ৰাপ্ত বিশিষ্ট কবি জ্ঞান পুজাৰীয়ে উদ্বোধন কৰে। কবি সন্মিলনখন সঞ্চালনা কৰে লখিমপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক, কবি, লেখক ড০ ৰাতুল কুমাৰ লাহনে। এই অনুষ্ঠানত কেইবাগৰাকী কবিয়ে স্বৰচিত কবিতা পাঠ কৰে। ইয়াৰ পাছতে অনুষ্ঠিত সাংস্কৃতিক প্ৰতিযোগিতাত ৪ খন শিক্ষানুষ্ঠানে অংশগ্ৰহণ কৰে।

০০০০০০

ডিমা হাচাও জিলাৰ হাৰাঙ্গাজাওৰ বৌলচল জলপ্ৰপাতত কালি সন্ধানহীন হোৱা শিলচৰ এন আই টিৰ অভিযান্ত্ৰিক বিভাগৰ প্ৰথম বৰ্ষৰ দুগৰাকী ছাত্ৰী আৰু এজন ছাত্ৰৰ ভিতৰত এজনৰ মৃতদেহ  উদ্ধাৰ কৰা হৈছে। এন ডি আৰ এফে তিনিওগৰাকী ছাত্ৰ-ছাত্ৰীৰ সন্ধানত উদ্ধাৰ অভিযান চলোৱাৰ অন্তত উত্তৰ প্ৰদেশৰ সৰ্বকৃতিকা  সিং নামৰ ২০ বছৰীয়া ছাত্ৰীগৰাকীৰ মৃত দেহ উদ্ধাৰ কৰিবলৈ সমৰ্থ হয়। পানীত ডুব যোৱা উত্তৰ-প্ৰদেশৰ সৌহাৰ্দ ৰায় আৰু বিহাৰৰ ৰাধিকা এতিয়াও সন্ধানহীন হৈ আছে। আমাৰ সংবাদদাতাই জনোৱা মতে, কালি ছাত্ৰ-ছাত্ৰীকেইগৰাকী জলপ্ৰপাতটোলৈ ফুৰিবলৈ যোৱাৰ সময়তে এই অঘটন ঘটে।

০০০০০০

সমাপ্ত